**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 9-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ইটানগৰত মণিপুৰ, মেঘালয়, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ বাবে প্ৰায় ৫৫ হাজাৰ ৬০০ কোটি টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি অসমৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বিহাৰ ভ্ৰমণ কৰিব।

৪। মহিলা আৰু শিশুবিকাশ মন্ত্ৰ্যালয়ে আজিৰেপৰা ২৩ মাৰ্চলৈ পৰিপুষ্টি পযেক, ২০২৪ আয়োজন কৰিছে।

*আৰু*

৫। ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে ধৰমশালাত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ তৃতীয় দিনা আজি ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ খেল অব্যাহত।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ইটানগৰত মণিপুৰ, মেঘালয়, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ বাবে প্ৰায় ৫৫ হাজাৰ ৬০০ কোটি টকাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বিকশিত ভাৰত, বিকশিত উত্তৰ-পূব শীৰ্ষক অনুষ্ঠানত কৰি তেওঁ লগতে ছেলা সুৰংগ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ইয়াৰ উপৰি প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নতি আঁচনিৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই আঁচনিখনে উত্তৰ-পূব অঞ্চলৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নত সহায় কৰিব। লগতে প্ৰধানমন্ত্ৰীয়ে কয় যে, দক্ষিণ এছিয়া আৰু পূব এছিয়াত ভাৰতৰ অংশীদাৰ দেশসমূহৰ সৈতে বাণিজ্য আৰু পৰ্যটনৰ সম্পৰ্কক সুদৃঢ় কৰাৰ ক্ষেত্ৰত উত্তৰ-পূবে এটা শক্তিশালী ক'ৰিড'ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। মোদীয়ে কয় যে, চৰকাৰে অষ্টলক্ষ্মীৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি উত্তৰ-পূবৰ উন্নয়ন আৰু প্ৰগতিৰ বাবে কাম কৰি আছে। উত্তৰ-পূৰ্বাঞ্চলত যোৱা ৫ বছৰত তেওঁৰ চৰকাৰে যি ধৰণৰ কাম কৰিছে কংগ্ৰেছে সেই কাম কৰিবলৈ ২০ বছৰ সময় লাগিলহেঁতেন বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

ইয়াৰ পূৰ্বে দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ আৰু হাতী ছাফাৰি কৰি উদ্যানখনৰ নৈসৰ্গিক শোভা উপভোগ কৰে। কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজেৰে প্ৰধানমন্ত্ৰী মোদীয়ে উদ্যানখনৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে।

অৰুণাচলৰ প্ৰদেশৰ পৰা উভতি আহি প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৰহাটৰ হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ১২৫ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। বিশাল প্ৰতিমূৰ্তিটোৰ উচ্চতা

হৈছে ৮৪ ফুট আৰু বেদীৰ উচ্চতা ৪১ ফুট। এই প্ৰকল্পত টাই-আহোম সংগ্ৰাহলয়ৰ লগতে ৫০০ খন আসনৰ প্ৰেক্ষাগৃহও নিৰ্মাণ কৰা হৈছে। এই কাৰ্যসূচীৰ পাছতেই প্ৰধানমন্ত্ৰীগৰাকীয়ে যোৰহাট নগৰৰ সমীপৰ মেলেং মেটেলী পথাৰত এখন জনসভাত অংশগ্ৰহণ কৰে।

এই অনুষ্ঠানত শ্ৰী মোদীয়ে ১৫ হাজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষ ৭টা প্ৰকল্পৰ উদ্বোধন আৰু দুহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহে গ্ৰাম্য উন্নয়ন, স্বাস্থ্য, হাইড্ৰ'কাৰ্বন আৰু ৰে'লৰে খণ্ডক সামৰি ল'ব। প্ৰধানমন্ত্ৰীয়ে মুঠ ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ৫ লাখ ৫৫ হাজাৰ ৫৫৫ টা আবাসগৃহত আনুষ্ঠানিকভাৱে গৃহপ্ৰৱেশ মুকলি কৰে। স্বাস্থ্য প্ৰকল্পৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় মুকলি কৰাৰ লগতে ডিমৌত ১০০ খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসাকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। হাইড্ৰ'কাৰ্বন প্ৰকল্পৰ অধীনত শ্ৰী মোদীয়ে বাৰাউনী -গুৱাহাটী প্ৰাকৃতিক গেছ পাইপ লাইন, নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপ লাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ আৰু দুলীয়াজানৰ ১ নম্বৰ পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ স্পাৰ লাইনৰ প্ৰতিস্থাপন উদ্বোধন কৰে। তেওঁ ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ, গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ আৰু ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ৮১০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-গোৱালপাৰা-কামাখ্যা ৰে'ললাইনৰ দ্বৈতকৰণ, ধূপধৰা-ছয়গাঁও পথৰ দ্বৈতকৰণ আৰু ৫২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নিউ বঙাইগাঁও-ৰঙিয়া-আগিয়াঠুৰী দ্বৈতকৰণ, নিউ বঙাইগাঁও-সৰভোগ শাখাৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প উদ্বোধন কৰে।

পাছত শ্ৰী মোদী পশ্চিমবংগৰ শিলিগুড়িলৈ যাব আৰু বিয়লি এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে পশ্চিমবংগত প্ৰায় ৪ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ একাধিক উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। সন্ধিয়াৰ ভাগলৈ প্ৰধানমন্ত্ৰী উত্তৰ প্ৰদেশৰ বাৰানসীত উপস্থিত হ'ব আৰু শ্ৰীকাশী বিশ্বনাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ উত্তৰ প্ৰদেশত ৪২ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। বিয়লিৰ ভাগলৈ প্ৰধানমন্ত্ৰীয়ে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ছট্টিশগড়ত মহাটাৰী বন্দনা যোজনাৰ প্ৰথম কিস্তিৰ ধন মোকলাই দিব।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বিহাৰ ভ্ৰমণ কৰিব। তেওঁ পাটনাত বিজেপিৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে আজি বিয়লি পাটনাৰ পালিগঞ্জত বিজেপিৰ এখন দলীয় সভা সম্বোধন কৰিব। তেওঁ লগতে ফুলবাৰী শ্বৰীফত বিজেপিৰ এজন অন্যতম প্ৰতিষ্ঠাপক প্ৰয়াত কৈলাশ পতি মিশ্ৰৰ প্ৰতিমূৰ্তিও উন্মোচন কৰিব।

০০০০০০

মহিলা আৰু শিশুবিকাশ মন্ত্ৰালয়ে আজিৰেপৰা ২৩ মাৰ্চলৈ পৰিপুষ্টি পখেক, ২০২৪ আয়োজন কৰিছে। এই সময়ছোৱাত 'পৰিপুষ্টিও-শিক্ষাও' আৰু গৰ্ভৱতী মহিলাৰ পৰিপুষ্টি আৰু স্বাস্থ্য বিষয়ক খাদ্যাভ্যাস সম্পৰ্কে ব্যাপক

সজাগতা সৃষ্টি কৰা হ'ব আৰু সমূহীয়া অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মন্ত্ৰ্যালয়ে এটা বিবৃতিযোগে কৈছে যে এই বিষয়ৰ সৈতে জড়িত অন্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত ৰাজ্য আৰু সহযোগী মন্ত্ৰ্যালয় তথা বিভাগে সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰিব।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত আসন্ন লোকসভা নিৰ্বাচন সন্দৰ্ভত  আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক পৰাগমণি আদিত্য আৰু প্ৰাণজিৎ শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

oooooo

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৩৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসাৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তেওঁৰ বৰ্তমানৰ লোকসভা আসন কেৰালাৰ ৱায়নাড, কে চি বেণুগোপালে অল্পুঝা আৰু শশী থাৰুৰে তিৰুৱনন্তপুৰমৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ছট্টিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল ৰাজনান্দ গাঁও আৰু জোৎস্না মহন্তে কোৰ্বাৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৱিণ্টচেণ্ট এছ্ পালা মেঘালয়ৰ ছিলং লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থী হ'ব। দলটোৱে ছট্টিশগড়ৰ ছখন, কৰ্ণাটকৰ সাতখন, কেৰালাৰ ১৬ খন, তেলেংগানাৰ ৪ খন, মেঘালয়ৰ দুখন আৰু নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা আৰু লাক্ষাদ্বীপৰ একোখনকৈ আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটীয়ে প্ৰাৰ্থীৰ নামসমূহ চূড়ান্ত কৰিছে।

oooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৰশ্যকীয়  অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

oooooo

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ পাচৌৰীয়ে আজি  ভূপালত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। ধৰৰ প্ৰাক্তন সাংসদ তথা ৰাজ্যিক কংগ্ৰেছৰ উপ সভাপতি গজেন্দ্ৰ সিং ৰাজুখেদী, ইন্দোৰৰ প্ৰাক্তন বিধায়ক সঞ্জয় শুক্লা, প্ৰাক্তন বিধায়ক বিশাল পেটেল আৰু অৰ্জুন পালিয়া, ভূপাল কংগ্ৰেছৰ প্ৰাক্তন জিলা সভাপতি কৈলাশ মিশ্ৰইও বিজেপিত যোগদান কৰে। লোকসভা নিৰ্বাচনৰ পূৰ্বে এই নেতাসকলে দল ত্যাগ কৰাটো কংগ্ৰেছৰ

বাবে মোক্ষম আঘাত বুলি বিবেচিত হৈছে। এই উপলক্ষে ভূপালৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ, বিজেপি নেতা শিৱৰাজ সিং চৌহান, মন্ত্ৰী কৈলাশ বিজয়বৰ্গীয়া, ৰাজ্যিক সভাপতি ভি.ডি. শৰ্মা আৰু আন বিজেপি নেতাসকল উপস্থিত থাকে।

oooooo

বিহাৰৰ পাটনাত ED য়ে আৰ জে ডিৰ নেতা লালু প্ৰসাদৰ ঘনিষ্ঠ সুভাষ প্ৰসাদ যাদৱৰ বহু স্থানত অভিযান চলাইছে।সুভাষ প্ৰসাদ যাদৱৰ মালিকানাধীন বালি খনন আৰু নিৰ্মাণ কোম্পানী ব্ৰডছনছ প্ৰাইভেট লিমিটেডৰ অবৈধ বালি খনন আৰু আনুষংগিক ধন সৰবৰাহৰ গোচৰত পাটনা, দনাপুৰ, শ্বাহপুৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলত ইডিয়ে অভিযান চলায়। অভিযান চলোৱা স্থানসমূহত নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে। ইয়াৰ পূৰ্বে আয়কৰ বিভাগে কৰ ফাঁকিৰ সৈতে জড়িত সুভাষ প্ৰসাদ যাদৱৰ পাটনা, ধনবাদ আৰু কলকাতাৰ বিভিন্ন স্থানতো অভিযান চলাইছিল।

oooooo

ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে ধৰমশালাত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত আজি ইংলেণ্ডে দ্বিতীয় ইনিংছত বাতৰি যুগুতোৱাৰ পৰলৈকে ৮টা উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে ২৫৯ ৰানৰ শক্তিশালী অগ্ৰগতি বজাই ৰাখি আজি প্ৰথম ইনিংছত ৪৭৭ ৰানত ইনিংছ সামৰে।

oooooo

ভাৰতৰ সাত্বিকছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটিটো ফ্ৰেন্স অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্‌ছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ লক্ষ্য সেনেও প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগল্‌ছৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

সাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটিটোৱে কালি পেৰিছত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ ছুপাক জুমক' আৰু কিটনোপ'ং কেডৰেনৰ যুটিটোক ২১-১৯, ২১-১৩ পোনপটীয়া গেমত পৰাস্ত কৰে। ভাৰতীয় যুটিটো আজিৰ ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ ছিঅ' ছেউং জে আৰু কাং মিন হ্যুকৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, লক্ষ্য সেনে কালি পুৰুষৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত ছিংগাপুৰৰ লোহ কিন য়ুক ১৯-২১, ২১-১৫, ২১-১৩ গেমত পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ তৃছা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটো চীনৰ চেন কিং চেন আৰু জিয়া ই ফেনৰ হাতত ২১-১৮, ২১-৭ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। সতীৰ্থ খেলুৱৈ পি ভি সিন্ধুও মহিলাৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত চীনৰ চেন য়ু ফেইৰ হাতত ২৪-২২, ১৭-২১, ১৮-২১ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে।

০০০০০০

ঃ সমাপ্ত ঃ